অসম বিধান সভা
তৰা চিহ্নিত প্ৰশ্ন নং :১৭৬
উত্তৰ দানৰ তাৰিখ –২২/০৭/২০২৬

*বিষয়:* **প্ৰধানমন্ত্ৰী আৱাস যোজনা গ্ৰাম্য ধনৰ সন্দৰ্ভত।**
বিধায়ক: শ্ৰী পৃথ্বিৰাজ ৰাভাঃ

প্ৰশ্ন

মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ
(ক) প্ৰধান মন্ত্ৰী আৱাস যোজনা গ্ৰাম্য আঁচনিৰ জৰিয়তে বহু দুখীয়া পৰিয়ালে ঘৰ নিৰ্মাণ কৰিবলৈ সুবিধা পাইছে যদিও ঘৰ বনোৱাৰ পিছত যাৱতীয় যিবোৰ বিভাগীয় কাম কৰাৰ পিছতো বহু হিতাধিকাৰীয়ে দ্বিতীয় কিস্তি আৰু কিছুমানে চূড়ান্ত কিস্তিৰ ধন পাবলৈ সক্ষম হোৱা নাই। যাৰবাবে ঘৰবোৰ আধৰুৱা হৈ পৰি আছে। তেনে কিস্তিৰ ধন সমূহ লাভ নকৰাটো বিভাগৰ জ্ঞাত নে?

(খ) যদি জ্ঞাত, এই ধন সমূহ কেতিয়া মুকলি কৰি দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব?

উত্তৰ

মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী **শ্ৰীযুত অতুল বৰা** দেৱে উত্তৰ দিবঃ

(ক) প্ৰধানমন্ত্ৰী আৱাস যোজনা-গ্ৰামীণ (PMAY-G) আঁচনিৰ অধীনত বহুসংখ্যক হিতাধিকাৰীয়ে ঘৰৰ কাম আৰম্ভ কৰাৰ পিছতো দ্বিতীয় বা তৃতীয় কিস্তিৰ ধন সময়মতে লাভ নকৰাৰ বাবে ঘৰসমূহ আধৰুৱা হৈ থকাৰ কথাটো বিভাগ তথা চৰকাৰৰ জ্ঞাত।

বৰ্তমান কেন্দ্ৰীয় চৰকাৰে কেন্দ্ৰীয় পৃষ্ঠপোষকতা প্ৰাপ্ত আঁচনিসমূহৰ বাবে প্ৰৱৰ্তন কৰা SNA-SPARSH ব্যৱস্থাৰ ফলত PMAY-G গৃহ নিৰ্মাণৰ কিস্তি প্ৰদানৰ প্ৰক্ৰিয়াটো আগতকৈ দীঘলীয়া হৈ পৰিছে। এই নতুন ব্যৱস্থাত প্ৰতিটো payment ফাইল AwaasSoft, ৰাজ্যৰ বিত্ত বিভাগ, গ্ৰামোন্নয়ন মন্ত্ৰালয়, PFMS, কেন্দ্ৰীয় RBI, ৰাজ্যিক RBI শাখা আৰু NPCI আদি একাধিক স্তৰৰ মাজেৰে পাৰ হ'ব লগা হয়, যাৰ ফলত সমগ্ৰ প্ৰক্ৰিয়া দীঘলিয়া হয়।

ইয়াৰ উপৰিও বিত্তীয় বৰ্ষ ২০২৫-২৬ ত কেন্দ্ৰীয় চৰকাৰৰ পৰা বিত্তীয় আৱণ্টন পোৱাত দেৰি হোৱাৰ বাবে হিতাধিকাৰীৰ কিস্তিসমূহ মুকলি কৰি দিয়াত কিছু পলম হৈছিল। অৱশ্যে বিত্তীয় আৱণ্টন অহাৰ পিছত এতিয়া সকলো কিস্তি নিয়মীয়াভাৱে মুকলি কৰি থকা হৈছে।

(খ) উপৰোক্ত প্ৰশ্নৰ উত্তৰত উল্লেখ কৰা মতে বিত্তীয় বৰ্ষ ২০২৫-২৬ ত কেন্দ্ৰীয় চৰকাৰৰ পৰা বিত্তীয় আৱণ্টন পোৱাত দেৰি হোৱাৰ বাবে হিতাধিকাৰীৰ কিস্তিসমূহ মুকলি কৰি দিয়াত কিছু পলম হৈছিল যদিও, বিত্তীয় আৱণ্টন অহাৰ পিছত হিতাধিকাৰীসকলক প্ৰধানমন্ত্ৰী আৱাস যোজনা-গ্ৰামীণ (PMAY-G) আঁচনিৰ অধীনত তেওঁলোকৰ ব্যক্তিগত বেংক একাউণ্টত তেঁওলোকৰ নিজৰ গৃহ নিৰ্মাণৰ বাবে Direct Benefit Transfer (DBT) ৰ জৰিয়তে কামৰ অগ্ৰগতিৰ লগত সামঞ্জস্য ৰাখি কিস্তিসমূহ নিয়মীয়াভাৱে মুকলি কৰি থকা হৈছে।

*******